BRICS
INDIA 2021

# ত ভাৰতৰ সভাপতিত্বৰপ্ৰতি ভাৰতৰ নাগৰিক সমাজৰ মুখ্য দাবীসমূহ

**নীতি সম্বন্ধীয় নথি**



VANI
*Celebrating 30 Years*
VOICE OF THE VOLUNTARY SECTOR

BRICS
INDIA 2021

# ত ভাৰতৰ সভাপতিত্বৰপ্ৰতি ভাৰতৰ নাগৰিক সমাজৰ মুখ্য দাবীসমূহ

নীতি সম্বন্ধীয় নথি

VANI
*Celebrating 30 Years*
VOICE OF THE VOLUNTARY SECTOR

পাতনি 2

ভাৰতৰ উন্নয়নত ভাৰতীয় নাগৰিক সমাজৰ ভূমিকা 3

কোভিড-19 ত্ৰাণ 4

উন্নয়নত সহযোগিতাত নাগৰিক সমাজৰ মত বিনিময়ৰ বাবে ফ'ৰাম হিচাপে CIVIL BRICS 4

নাগৰিক সমাজৰ উন্নয়নৰ দাবীৰ সৈতে BRICS-ত ভাৰতৰ সভাপতিত্বৰ এজেণ্ডা সংযুক্ত কৰাৰ কাম 5

বহপক্ষীয় ব্যৱস্থাৰ সংস্কাৰ 5

নাগৰিক সমাজৰ মুখ্য দাবী: স্থানীয় আৰু বৈশ্বিক স্তৰত নীতি নিৰ্ধাৰণত সাৰ্বিক অংশগ্ৰহণ 6

বৈশ্বিক স্তৰত 7

SDGৰূপায়ণৰ বাবে ডিজিটেল আৰু প্ৰযুক্তি ভিত্তিক সমাধান প্ৰয়োগ 7

সমাজৰ মংগলৰ বাবে ডিজিটেল প্ৰযুক্তিৰ উপৰত নিৰ্ভৰশীলতা বৃদ্ধিত প্ৰতিবন্ধকতা 8

SDG-সমূহত ডিজিটেল প্ৰযুক্তি ব্যৱহাৰৰ বাবে নাগৰিক সমাজৰ মুখ্য দাবী 9

মানুহৰ মাজত পাৰস্পৰিক মত বিনিময়ক বৃদ্ধি কৰা 12

ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে সদৌ শেষত আৰু কেইটামান পৰামৰ্শ 13




# পাতনি

বহুপক্ষীয় এটা মঞ্চ হিচাপে BRICS-এ অৰ্থনীতি আৰু উন্নয়ন বিষয়ক সহযোগিতাৰ বহুপক্ষীয় বিভিন্ন আহিঁত গুৰুত্বপূৰ্ণ স্থান এটা দখল কৰিছে। উদীয়মান যিবোৰ দেশে নিজৰ গড় GDP-ৰ নিৰিখত G7 দেশসমূহক চেৰ পেলাবলৈ আগুৱাই আহি আছে, সেই দেশসমূহৰ এটা আধাৰ হিচাপে ই বৈশ্বিক নীতি নিৰ্ধাৰণৰ কৌশলী পন্থাক বাৰুকৈ প্ৰভাৱিত কৰি আছে। G20-য়ে প্ৰতিশ্ৰুতি গোষ্ঠীসমূহক অত্যন্ত পৰিশ্ৰমেৰে ব্যৱহাৰ কৰি ঐক্যবদ্ধ ভাৱে গোষ্ঠীয় অভিজ্ঞতা লাভ কৰিছে, নিজৰ ৰাজনৈতিক উদ্দেশ্যক বৃদ্ধি কৰিবলৈ, লগতে নীতিসমূহক আসংজন তথা কাৰ্যকৰী কৰিবলৈ নিজৰ ছাব-থিমেটিক গোষ্ঠী গঢ়ি তুলিছে। এনেকুৱা এটা গোষ্ঠী শেহতীয়া সময়ত বহুতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সেই গোষ্ঠীৰ নাম CIVILBRICS ফ'ৰাম। এয়া হ'ল বিভিন্ন নাগৰিক সমাজৰ সংগঠনৰ সন্মিলিত এটা গোট[1]। ই সেই সভাপতিত্বক কেন্দ্ৰ কৰি আৱৰ্তন কৰি আছে যাক প্ৰয়োগ কৰা হয় সেইবোৰ BRICS দেশৰ উন্নয়নৰ দাবীক ৰূপদান কৰিবলৈ আৰু তাৰ ৰূপৰেখা নিৰ্ধাৰণ কৰিবলৈ, যিবোৰ দেশৰ উন্নয়নৰ ফালে দৃষ্টি দিয়াটো প্ৰয়োজন হয়। শেহতীয়া সময়ত নাগৰিক সমাজ সংগঠনসমূহে, সামাজিক উন্নয়ন কৰ্মীসকলে আৰু উন্নয়নৰ বাবে কাম কৰা পেছাদাৰী লোকসকলে সক্ৰিয় ভাৱে CIVILBRICS ফ'ৰামক ব্যৱহাৰ কৰি আছে আৰ্থ-সামাজিক ব্যৱধানৰ চিত্ৰটো প্ৰকাশ কৰাৰ কাৰণে। বিত্তীয় সহায়তা, নীতি সুৰক্ষা আৰু নাগৰিকৰ অংশগ্ৰহণৰ ক্ষেত্ৰত এই চিত্ৰটোৰ উপৰত বিশেষ মনোযোগ দিবই লাগিব। নাগৰিক সমাজৰ অংশগ্ৰহণক মজবুত কৰিবলৈ আৰু লগতে ইয়াক প্ৰাতিষ্ঠানিক ৰূপ[2] দিয়াৰ কাৰণে কি কৰিব লাগিব, সেই বিষয়সমূহক লৈ আলোচনা কৰাৰ কাৰণে CIVILBRICS ফ'ৰামক মত বিনিময় আৰু অংশীদাৰিত্বৰ মঞ্চ হিচাপে গঢ়ি তোলাৰ কাৰণে নাগৰিক সমাজ গোষ্ঠীসমূহে ব্যাপক প্ৰয়াস হাতত লৈছে। ভাৰত যিহেতু এই বহুপক্ষীয় মঞ্চৰ সভাপতিত্বৰ দায়িত্বত আছে, সেই কাৰণে নাগৰিক সমাজে ৰাষ্ট্ৰীয় আৰু জাতীয় প্ৰেক্ষাপটত মজবুত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ বাবে উৎসাহী হৈছে। পাঁচখন দেশৰ নাগৰিক সমাজৰ বাবে 2016-ৰ CIVILBRICS আছিল এটা ঐতিহাসিক মুহূৰ্ত। কিয়নো সেই সময়ত ভাৰত চৰকাৰে নাগৰিক সমাজ সংগঠনসমূহৰ অংশগ্ৰহণক আদৰণি জনাইছিল আৰু সেই সংগঠনসমূহৰ পৰামৰ্শত কৰ্ণপাত কৰিছিল। CIVILBRICS-ৰ মুৰব্বীৰ বিবৃতিত বহু পৰামৰ্শই গৃহীত নহ'লেও নাগৰিক সমাজৰ আগ্ৰহ বহু গুণে বৃদ্ধি পাইছিল আৰু এয়া নিশ্চিত কৰিব পাৰিছিল যে, স্থানীয় দাবীসমূহক গুৰুত্ব দিয়া হ'ব। সেই একে উৎসাহ-উদ্দীপনাৰে 2021-ত ভাৰতত BRICS-ৰ আয়োজন হৈ আছে। ভাৰতৰ গণতান্ত্ৰিক গাঁথনিৰ প্ৰতি এতিয়া প্ৰভূত প্ৰত্যাশা। BRICS-ৰ অন্যান্য দেশৰ ভিতৰত ভাৰতৰ গণতন্ত্ৰৰ প্ৰতি এই আশা কৰিব পৰা যায় যে, ই বহুপক্ষীয় উদ্দেশ্য পূৰণৰ ক্ষেত্ৰত সামাজিক উন্নয়নক লৈ নিশ্চিত ভাৱে আলোচনা কৰিব পৰা যাব আৰু এই বিষয়টোক অন্তৰ্ভুক্ত কৰিব পৰা যাব। বহুপক্ষীয় আৰু প্ৰতিশ্ৰুত গোষ্ঠীৰ অভিজ্ঞতাৰ ভিত্তিত এই আশা কৰিব পৰা যায় যে, উন্নয়নৰ লক্ষ্যসমূহ কেৱল এজেণ্ডাত পৰ্যবসিত নহ'ব, ই বৰঞ্চ

[1] Poskitt, A.; Shankland, A. and Taela, K. (2016) Civil Society from the BRICS: Emerging Roles in the New International Development Landscape, IDS Evidence Report 173, Brighton: IDS

[2] PRIA (2013). India's Global Development Presence and Engagement of Indian Civil Society. from : http://www.pria.org/docs/Indias_Global_Development_Presence_and_Engagement_of_Indian_Civil_Society.pdf

স্পষ্টকৈ অংকিত নীতি সাধনীৰ জৰিয়তে স্থানীয় আৰু জাতীয় ভাৱে পূৰণ হ'ব। কোভিড-19'ৰ মাৰাত্মক প্ৰকোপত সকলো ধৰণৰ সামাজিক উন্নয়ন স্তব্ধ হৈ আছে। এতিয়া ভাৰত চৰকাৰৰ প্ৰতি নাগৰিক সমাজৰ প্ৰত্যাশা বহুগুণ বৃদ্ধি পাইছে। নাগৰিক সমাজে এতিয়া সিদ্ধান্ত-গ্ৰহণকাৰীসকলৰ প্ৰতি এয়াই আবেদন জনাই আছে যে, ভাৰতে নিজৰ সভাপতিত্বত যেন দীৰ্ঘ দিন ধৰি স্তব্ধ হৈ থকা উন্নয়নৰ লক্ষ্যক পূৰণ কৰাৰ লগতে এনেকুৱা কিছুমান লক্ষ্য নিৰ্ধাৰণ কৰে, যিবোৰক নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যায়। দ্বিতীয়তে, প্ৰশাসনৰ প্ৰত্যেক স্তৰত নাগৰিক সমাজৰ প্ৰাতিষ্ঠানিক অংশীদাৰিত্বক গ্ৰহণ কৰাৰো প্ৰয়োজনীয়তা আছে। যি কাৰ্যকৰী উন্নয়নৰ বাবে অংশীদাৰ ভিত্তিক নীতি নিৰ্ধাৰণ আৰু বিত্তীয় সহায়তা আৰু স্বেচ্ছাসেৱী সংগঠনৰ স্বতন্ত্ৰতাৰ সহায়ক হ'ব। সেয়ে নীতি সম্বন্ধীয় এই নথিত CIVIL BRICS-ত ভাৰতৰ সভাপতিত্বত গৃহীত লক্ষ্যসমূহক পৰীক্ষা কৰা হৈছে। এই লক্ষ্যসমূহ হ'ল: *উন্নয়নত বিত্তীয় সহায়তা, বৈশ্বিক ৰাজহুৱা পণ্য, মহামাৰীৰ মোকাবিলা আৰু নাগৰিক সমাজৰ সৈতে অংশীদাৰিত্ব* আৰু নাগৰিক সমাজে কৰা উন্নয়নৰ দাবীক গুৰুত্ব প্ৰদান। এই নথি প্ৰস্তুত কৰিছে VANI। এই প্ৰতিষ্ঠানে বহু বছৰ ধৰি স্বেচ্ছাসেৱী প্ৰতিষ্ঠান, নাগৰিক সমাজৰ নেটৱৰ্ক আৰু তৃণমূল পৰ্যায়ৰ সামাজিক আন্দোলনৰ সৈতে আলোচনা কৰি দাবীসমূহক সংগ্ৰহ কৰিছে।

## ভাৰতৰ উন্নয়নত ভাৰতীয় নাগৰিক সমাজৰ ভূমিকা

70 বছৰ ধৰি স্বেচ্ছাসেৱী খণ্ডটো ভাৰতৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ উন্নতিৰ দিশত নীৰৱে বৰঙণি আগবঢ়াইছে। উন্নয়নৰ গতিত ক'ৰবাত কিবা বাধা থাকিলে, সেয়া দূৰ কৰাৰ কাম কৰিছে। ইয়াৰ সমান্তৰাল ভাৱে সেই সকল সাধাৰণ নাগৰিককো সবব কৰি তুলিছে, যিসকলে সিদ্ধান্ত-গ্ৰহণকাৰী সংস্থাসমূহক প্ৰভাৱিত কৰিব পৰা নাছিল। কল্যাণৰ প্ৰসাৰ কৰাৰ বাবে অনুপ্ৰাণিত হৈ স্বেচ্ছাসেৱী সংগঠনসমূহে 'সামাজিক পৰিৱৰ্তন'-ৰ আদি আৰ্হি আৰু প্ৰৱণতা সৃষ্টি কৰিছে। যাৰ ইতিবাচক প্ৰভাৱ সমাজৰ একেবাৰে অতি ক্ষুদ্ৰ স্তৰতো পৰিছে। ই এই ক্ষেত্ৰক মানৱীয় বিষয় তথা উন্নয়নৰ বিভিন্ন দিশৰ জ্ঞান আধাৰ দান কৰিছে। এইবোৰ স্বেচ্ছাসেৱী খণ্ডৰ সমাধানসমূহৰ লক্ষণীয় বিকাশ লক্ষ্য কৰিব পৰা গৈছে চৰকাৰে সহযোগী হিচাপে গ্ৰহণ কৰা আঁচনি আৰু নীতিসমূহত। যেনে সৰ্ব শিক্ষা অভিযান, তথ্যৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, এমএনৰেগা, আৰু স্বচ্ছ ভাৰত অভিযান। স্বেচ্ছাসেৱী সংগঠনসমূহে নিৰ্ণায়ক হস্তক্ষেপৰ বাট মুকলি কৰিছে, এই সংগঠনসমূহৰ সামাজিক উদ্ভাৱনা, সততা আৰু কল্পনা[3] প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। এই সংগঠনসমূহৰ হস্তক্ষেপৰ সামগ্ৰিক প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ ভাৱে মানুহৰ জীৱনত প্ৰভাৱ পেলাইছে আৰু এক ৰূপান্তৰ কঢ়িয়াই আনিছে। ইয়াৰ লক্ষণ ব্যক্তি তথা সামগ্ৰিক দুয়ো স্তৰতে পৰিলক্ষিত হয়। CSO-সমূহৰ প্ৰয়াসক স্বীকৃতি দি কোটি-কোটি ভাৰতীয়ই এইবোৰৰ প্ৰতি নিজৰ আস্থা আৰু বিশ্বাস প্ৰদৰ্শন কৰি এই সংগঠনসমূহক নিজৰ প্ৰতিনিধি হিচাপে কাম কৰিবলৈ দিছে, যাতে সেইবোৰে চৰকাৰী সংস্থাসমূহৰ সৈতে আলাপ-আলোচনা চলাব পাৰে। ভাৰতৰ স্বেচ্ছাসেৱী খণ্ডটো সামাজিক উন্নয়নৰ দিশত থকা বিভিন্ন প্ৰত্যাহ্বানক যৌথ ভাৱে মোকাবিলা কৰিছে। যেনে দাৰিদ্ৰ্য দূৰীকৰণ, অসাম্যৰ ব্যৱধানক হ্ৰাস কৰা, সাৰ্বিক বিকাশ, লিংগ সাম্য প্ৰতিষ্ঠা কৰা, আৰু যিসকলে নিজৰ কথা ক'ব নোৱাৰে, তেওঁলোকক সবব কৰি তোলা[4]। তৃণমূল স্তৰত অবিৰাম যোগাযোগ ৰক্ষা কৰাৰ জৰিয়তে CSO-সমূহে ৰিয়েল টাইম ডেটা সংগ্ৰহ কৰে, এই ডেটাসমূহক এই সংগঠনসমূহে ক্ষমতাৰ বিভিন্ন স্তৰৰ সৈতে নিজৰ কথা কোৱাৰ সময়ত ব্যৱহাৰ কৰি থাকে। ইয়াৰ ভিত্তিত CSO-সমূহে উদ্ভাৱনী মূলক সামাজিক নমুনা আৰু আন্তঃ-বিষয়ৰ আৰ্হি প্ৰস্তুত কৰি আছে। সেইবোৰেই প্ৰচলিত স্থিতাৱস্থাত প্ৰগতিশীল পৰিৱৰ্তন কঢ়িয়াই আনিছে।

---

[3] The Role of CSOs in_2050and Beyond, Contribution from UNESCO's Collective Consultation of NGOs on Education 2030 to UNESCO's Futures of Education Initiative March 2021

[4] AN ANALYTICAL STUDY ON THE ROLE OF NGOs IN THE POVERTY REDUCTION OF INDIA Dr. R. Uma Devi, Assistant Professor, PG Department of Commerce, Dr. S. R. K. Govt. Arts College, Pondicherry University, Yanam, India.

## কোভিড-19 ত্ৰাণ



ভাৰতীয় নাগৰিক সমাজৰ সংগঠনসমূহে সক্ৰিয় ভাৱে কোভিড-19 মহামাৰীৰ সময়ত কাম কৰিছে যাইকৈ দুটা কাৰণত—স্বাস্থ্য সেৱাৰ লগতে আনুষংগিক সুযোগ-সুবিধা যেনে মাস্ক, ছেনিটাইজাৰ ইত্যাদি প্ৰদান কৰা আৰু লগতে লকডাউনৰ প্ৰভাৱত পৰা দুখীয় ৰাইজক সহায় কৰাৰ কাৰণে আগৰণুৱা হৈ কাম কৰা[5]। সংক্ৰমণ যাতে দ্ৰুতগতিত বিয়পিব নোৱাৰে তাৰ বাবে চৰকাৰে লকডাউন ঘোষণা কৰিছিল, তাৰ ফলত সাময়িক ভাবে কাৰখানা আদিৰ কাম বন্ধ হৈ যোৱাৰ কাৰণে দিন হাজিৰা কৰা মানুহ তথা বনুৱা শ্ৰেণীৰ মানুহে অৰ্থনৈতিক সমস্যাৰ মুখত পৰিছিলে। তাৰ ফলতে আকৌ দিন হাজিৰা কৰা তথা বনুৱা শ্ৰেণীৰ মানুহে দলে-দলে নিজৰ গাঁওত উভতিবলৈ আৰম্ভ কৰিছিলে খোজ কাঢ়ি, কিয়নো লকডাউনৰ সময়ত ৰাজহুৱা পৰিবহণো বন্ধ হৈ গৈছিল। দেশৰ বিভিন্ন চহৰত তথা গুৰুত্বপূৰ্ণ ঘাই পথসমূহত বিভিন্ন নাগৰিক সমাজৰ সংগঠনে আহাৰ বিতৰণ, চাউল-দাইল ইত্যাদি বিতৰণৰ ব্যৱস্থা কৰিছিলে, আৰু আশ্ৰয়ৰো ব্যৱস্থা কৰিছিলে[6]। প্ৰবল প্ৰকোপ সৃষ্টি কৰা দ্বিতীয় তৰংগৰ সময়তো বহু সংগঠনেই সীমিত বিত্তীয় তথা মানৱীয় সমলৰ সহায়তে ত্ৰাণৰ ব্যৱস্থা কৰিছিলে। এই কৰ্তব্য পালন কৰিবলৈ গৈ এই ক্ষেত্ৰই নাগৰিক সমাজৰ 120 জন কৰ্মী তথা সক্ৰিয় অংশগ্ৰহণকাৰীক হেৰুৱাইছে[7]।

## উন্নয়নত সহযোগিতাত নাগৰিক সমাজৰ মত বিনিময়ৰ বাবে ফ'ৰাম হিচাপে CIVIL BRICS

বহুপক্ষীয় অন্যান্য গোষ্ঠীৰ দৰে BRICS-য়েও নাগৰিক সমাজৰ সংগঠন তথা স্বেচ্ছাসেৱী সংগঠনসমূহৰ অনন্য পৰিসৰ প্ৰদান কৰিছে, যাতে এই সংগঠনসমূহে সামাজিক বিষয়সমূহত প্ৰতিনিধিত্ব কৰিব পাৰে আৰু লগতে উন্নয়নৰ বাবে শক্তিশালী নীতি নিৰ্ধাৰণৰ বাবে পৰামৰ্শও আগবঢ়াব পাৰে[8]। ইণ্ডিয়ান ডেভেলপমেণ্ট ক'-অপাৰেশ্বনে বহু দিনলৈকে নাগৰিক সমাজৰ পৰামৰ্শসমূহক নিজৰ আঁচনি আৰু নীতিত গ্ৰহণ কৰাৰ কথা বিবেচনা কৰা নাছিল। ফ'ৰাম ফৰ ইণ্ডিয়ান ডেভেলপমেণ্ট ক'-অপাৰেশ্বন (FIDC) প্ৰতিষ্ঠাপিত হোৱাৰ পাছত হে এই দিশটোৰ প্ৰতিকাৰ হৈছিল। এই ফ'ৰামে জ্ঞানৰ দিশত থকা অভাৱ পূৰণ কৰাৰ কাৰণে সহযোগিতামূলক কৌশল নিৰ্মাণ কৰাৰ কামত ভাৰত চৰকাৰৰ সৈতে নাগৰিক সমাজৰ সম-প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিছিল। 2016-ত যেতিয়া CIVIL BRICS-ৰ প্ৰাক-অনুষ্ঠানৰ আয়োজন হৈছিল, তেতিয়া এক ঐতিহাসিক মুহূৰ্তৰ অভিজ্ঞতা লাভ হৈছিল। কিয়নো সেই সময়তে চৰকাৰৰ সৈতে নাগৰিক সমাজৰ মত বিনিময় তথা অংশগ্ৰহণৰ বাট মুকলি হৈছিল। আচলতে, সেই ধাৰা প্ৰবল উদ্দীপনাৰে 2021-তো অব্যাহত হৈ আছে। এই বছৰ CIVIL BRICS-ৰ বিভিন্ন ইভেণ্টত এই খণ্ডৰ ব্যাপক অংশগ্ৰহণত পৰিলক্ষিত হৈছে। স্বেচ্ছাসেৱী খণ্ড হিচাপে আমি BRICS দেশসমূহৰ প্ৰতি এয়াই আবেদন জনাওঁ যে, এই ফ'ৰামক যেন সম্পূৰ্ণ গুৰুত্ব প্ৰদান কৰা হয়, কিয়নো-

1) *দক্ষিণ গোলাৰ্ধৰ কণ্ঠ-* বৃদ্ধি আৰু বিকাশৰ প্ৰেক্ষাপটত ই নিজৰ অৱস্থান স্পষ্ট কৰিব বিচাৰে আৰু ই হ'ল দক্ষিণ-দক্ষিণ সহযোগিতাৰ নীতিৰ এটা মূৰ্ত ৰূপ। যি বাণিজ্য, বিনিয়োগ, ব্যৱসায়, আৰু প্ৰযুক্তি বিনিময়ৰ লগতে মানুহৰ সৈতে মানুহৰ সম্পৰ্কক প্ৰাধান্য দিয়ে[9]।

2) *প্ৰান্তিক সকলৰ বাবে প্ৰতিশ্ৰুত মঞ্চ-* ব্ৰাজিল, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাৰ দৰে সদস্য দেশসমূহে দ্ৰুত অৰ্থনৈতিক পৰিৱৰ্তন কঢ়িয়াই আনিবলৈ সক্ষম হ'লেও এতিয়াও এই দেশসমূহত দুখীয়া মানুহৰ সংখ্যা বহুত বেছি[10]। এই লোকসকলে বিভিন্ন ধৰণৰ সেৱা পাই থাকে একাধিক ত্ৰাণ ব্যৱস্থাৰ জৰিয়তে। যাৰ ব্যৱস্থা কৰে নাগৰিক সমাজৰ সংগঠনসমূহে। BRICS চিভিল ফ'ৰামৰ সৈতে এই সংগঠনসমূহ যুক্ত হোৱাৰ প্ৰকৃত অৰ্থ, এইবোৰ প্ৰান্তীয় ক্ষেত্ৰসমূহক প্ৰতিনিধিত্ব কৰি আছে।

---

[5] Weaker and poorer, NGOs still the best bet in delivering Covid-19 reliefhttps://www.business-standard.com/article/companies/weaker-and-poorer-ngos-still-the-best-bet-in-delivering-covid-19-relief-120042800370_1.html

[6] Coronavirus in India: In 13 states, NGOs fed more people than govt did during lockdownhttps://www.indiatoday.in/india/story/in-13-states-ngos-fed-more-people-than-govt-during-coronavirus-lockdown-1665111-2020-04-09

[7] Data collected by VANI

[8] http://civilbrics.ru/wp-content/uploads/2020/03/Concept2020eng.pdf

[9] John L, Engaging BRICS Challenges and Opportunities for Civil Society, Oxfam India Working Papers Series, 2012

[10] Technology, Poverty and Education within BRICS Context, KunofiwaTsaurai, Bester Chimbo, International Journal of Economics and Business Administration Volume VIII, Issue 4, 2020

3) *বিভিন্ন নাগৰিক সমাজৰ মাজত পাৰস্পৰিক মত বিনিময়ৰ সংস্থা-* নাগৰিক সমাজসমূহে পৰস্পৰৰ সৈতে নিজৰ-নিজৰ অভিজ্ঞতা ভগাই ল'লে উদ্ভাৱনী মূলক উন্নয়ন আঁচনিক প্ৰস্তুত কৰিব পৰা যায়। যিবোৰ সক্ষম ভাৱে নাগৰিক সমাজৰ সংগঠনসমূহে নিজৰ ত্ৰাণ কাৰ্যসূচীত কামত লগাব পাৰে। এনেকৈ এই ফ'ৰামে উদ্ভাৱনী চিন্তা-চৰ্চাৰ ক্ষেত্ৰত সহায়ক হৈ উঠে আৰু সেইবোৰ চিন্তাধাৰা নীতি নিৰ্ধাৰক তথা শ্বেৰপাসকলক জনায়।

4) *SDG ৰূপায়ণ আৰু উন্নয়নত বিত্তীয় সহায়তাৰ কথা প্ৰসাৰৰ বাবে ফ'ৰাম-* স্বাক্ষৰকাৰী সকলো দেশে যিবোৰ উন্নয়নৰ প্ৰাধান্য দিয়ে সেইবোৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মূল সাধনী হ'ল ছাছটেনেবল ডেভেলপমেন্ট গ'ল (SDG)। SDG ৰূপায়ণ কৰাৰ কাৰণে CIVIL BRICS-এ অনবৰতে অধিক সহযোগিতাৰ উপৰত গুৰুত্ব আৰোপ কৰি থাকে, লগতে বাৰে-বাৰে BRICS দেশসমূহক এই কথা মনত পেলাই দি থাকে যে, সেই দেশসমূহে নিজৰ-নিজৰ প্ৰাধান্যৰ উপৰত অধিক গুৰুত্ব দিব লাগিব আৰু তাৰ লগত যুক্ত হৈ থাকিব লাগিব। তদুপৰি, BRICS-এ নিউ ডেভেলপমেন্ট বেংক প্ৰতিষ্ঠা কৰিছে, যাৰ কাম হ'ল উন্নয়নৰ কামত বিত্তীয় সহায়তা প্ৰদান কৰা। নাগৰিক সমাজৰ যিবোৰ নীতিৰ সৈতে মিল হয়, সেইবোৰ নীতিৰ বাবে এয়া এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হয়।

5) *জৰুৰী অৱস্থাত কাম কৰাৰ ক্ষেত্ৰত অংশগ্ৰহণৰ পৰিসৰ-* শেহতীয়াকৈ কোভিড-19'ৰ সময়ত হোৱা অভিজ্ঞতাৰ ভিত্তিত ক'ব পৰা যায় যে, মহামাৰীৰ প্ৰকোপক হ্ৰাস কৰাৰ কাৰণে শ্ৰমসাধ্য ত্ৰাণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ কাৰণে সমগ্ৰ বিশ্বৰ সংবেদনশীল চৰকাৰসমূহে নাগৰিক সমাজৰ সংগঠনসমূহক অধিক গুৰুত্ব প্ৰদান কৰিছে। সেয়ে, জৰুৰী অৱস্থাত তাৎক্ষণিক কাম কৰাৰ বাবে লগতে নীতিসমূহক অধিক ভালকৈ সমন্বিত কৰাৰ অভিজ্ঞতা ব্যক্ত কৰা তথা সেই কামত অংশগ্ৰহণ কৰাৰ বাবে BRICS-ৰ দৰে বহুপক্ষীয় গোষ্ঠীৰ অধীনত প্ৰতিশ্ৰুত গোষ্ঠী থকাটো বৰ দৰকাৰ হয়।

## নাগৰিক সমাজৰ উন্নয়নৰ দাবীৰ সৈতে BRICS-ত ভাৰতৰ সভাপতিত্বৰ এজেণ্ডা সংযুক্ত কৰাৰ কাম

BRICS-ত ভাৰতীয় সভাপতিত্ব এয়া স্পষ্টকৈ নিৰ্ধাৰণ কৰি দিছে যে, এই বছৰৰ BRICS-ত কিহৰ উপৰত গুৰুত্ব আৰোপ কৰা হ'ব। ইয়াৰ প্ৰতিফল দেখিবলৈ পোৱা যায় BRICS@15: ক'-অপাৰেশ্বন ফৰ কন্টিনিউটি, কনছলিডেশ্বন এণ্ড কনছেনছাচ শীমত। ইয়াত অভিন্ন কিছুমান প্ৰত্যাহ্বান আৰু সহযোগিতাৰ ক্ষেত্ৰ প্ৰদৰ্শন কৰা হৈছে। এই সহযোগিতাৰ সহায়ত আসন্ন বছৰসমূহত BRICS-ৰ দৰ্শনক মজবুত কৰিব পৰা যাব।[11] নাগৰিক সমাজৰ বাবে কোন-কোন এজেণ্ডা প্ৰাসংগিক হ'ব, সেইবোৰ তলত উল্লেখ কৰা হৈছে-

## বহুপক্ষীয় ব্যৱস্থাৰ সংস্কাৰ

UNSC, WTO, বিশ্ব বেংক/আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ভাণ্ডাৰ, বিশ্ব স্বাস্থ্য সংস্থা (WHO) তথা অন্যান্য বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ দৰে বিশ্বৰ বিভিন্ন বহুপক্ষীয় ব্যৱস্থাত সংস্কাৰ সাধনৰ কথা ভাৰতে কৈ আহিছে। এই ফ'ৰামসমূহৰ সৰহ ভাগৰে কামৰ অভিমুখ হ'ল বিশ্বৰ উত্তৰ গোলাৰ্ধত; দক্ষিণ গোলাৰ্ধৰ ফালে এইবোৰৰ সম-প্ৰতিনিধিত্ব দেখিবলৈ পোৱা নাযায়। কিন্তু এইটো কথা উল্লেখ কৰা আছে যে, *বহুপক্ষীয় ব্যৱস্থা গঠনৰ ভিত্তি হ'ল সকলৰ কল্যাণ সাধনৰ বাবে সাৰ্বিক আলোচনা আৰু সহযোগিতা, লগতে সাৰ্বভৌম স্বাধীনতা, সমতা, পাৰস্পৰিক বৈধ স্বাৰ্থ আৰু সন্দৰ্ভক সন্মান কৰা, যাতে বহুপক্ষীয় সংগঠনসমূহক অধিক কাৰ্যকৰী কৰিব পৰা যায়*[12]।আগতেই উল্লেখ কৰা হৈছে, BRICS-ৰ অন্যান্য দেশৰ সৈতে ভাৰতেও এই দাবী জনাই আহিছে যে, বৈশ্বিক প্ৰশাসনত এই দেশসমূহকো সিদ্ধান্ত গ্ৰহণৰ কামত অন্তৰ্ভুক্ত কৰা হওঁক। নাগৰিক সমাজেও অৱশ্যে চৰকাৰৰ নীতি নিৰ্ধাৰণ আৰু আঁচনি তথা কাৰ্যসূচী প্ৰদান কামত অন্তৰ্ভুক্ত হোৱাৰ দাবী জনাই আহিছে।

---

[11] Inaugural Address at BRICS Civil Forum 2021 by Secretary (CPV&OIA) and BRICS Sherpahttps://www.mea.gov.in/SpeechesStatements.htm?dtl/33808/Inaugural_Address_at_BRICS_Civil_Forum_2021_by_Secretary_CPVOIA_and_BRICS_Sherpa

[12] https://www.deccanherald.com/national/india-china-other-brics-nations-make-a-joint-push-for-reform-of-multilateral-system-992751.html

# নাগৰিক সমাজৰ মুখ্য দাবী: স্থানীয় আৰু বৈশ্বিক স্তৰত নীতি নিৰ্ধাৰণত সাৰ্বিক অংশগ্ৰহণ

ভৰতৰ নাগৰিক সমাজৰ সংগঠনসমূহে বিভিন্ন ধৰণৰ উন্নয়ন মূলক ত্ৰাণ কাৰ্যসূচীৰ লগত যুক্ত হৈ আছে আৰু আৰ্থ-সামাজিক সমস্যাসমূহৰ মোকাবিলা তথা হ্ৰাস কৰাৰ ক্ষেত্ৰত দৃষ্টান্ত মূলক উৎকৰ্ষ প্ৰকাশ কৰিছে। এনেকুৱা বহু সংগঠনেই চৰকাৰৰ খোজত খোজ মিলাই আৰু কেতিয়াবা চৰকাৰৰ সহযোগী হৈ কাম কৰি জাতীয় নীতি গঢ়ি তোলাৰ ক্ষেত্ৰত সহায়ক হৈ উঠিছে, যাৰ ফলত চৰকাৰে নিজৰ আঁচনি আৰু নিজৰ অধীনস্থ কাৰ্যসূচীসমূহ আগুৱাই লৈ যাবলৈ সহায়তা পাইছে। যেনে, কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ, নিৰ্দিষ্ট কিছুমান শস্য চপাই থোৱাৰ জৰিয়তে কৃষকৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ, গাঁওসমূহত বৈদ্যুতিকীকৰণৰ বাবে সৌৰ পাম্প আৰু পেনেল তৈয়াৰ কৰিবলৈ, গাঁও আৰু চহৰৰ মহিলাসকলৰ বাবে জীৱিকা তথা কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ, স্থায়ী গৃহৰ ব্যৱস্থা কৰিবলৈ, পঞ্চায়ত আৰু পৌৰ নিগমসমূহত প্ৰশাসনৰ ক্ষেত্ৰক নাগৰিকসকলৰ সামৰ্থ্য বৃদ্ধি কৰিবলৈ, শিশুসকলক ৰাজ সাহায্য যুক্ত শিক্ষা প্ৰদান কৰিবলৈ, প্ৰাথমিক স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ, বিকলাংগ লোকসকলক সহায়তা কৰিবলৈ, ক্ৰীড়াৰ সুযোগ-সুবিধা গঢ়ি তুলিবলৈ আৰু যুৱ উন্নয়ন ইত্যাদিৰ বাবে নাগৰিক সমাজৰ সংগঠনসমূহে কাৰ্যকৰী প্ৰকল্প গঢ়ি তুলিছে।

নাগৰিক সমাজৰ সংগঠনসমূহে যি পৰিমাণ কাম কৰিছে আৰু এইবোৰৰ যি অভিজ্ঞতা আছে, সেই অনুসৰি এনেকুৱা কোনো ব্যৱস্থা নাই যে, এই সংগঠনসমূহে ৰাষ্ট্ৰীয় তথা জাতীয় স্তৰত সিদ্ধান্ত গ্ৰহণকাৰীসকলৰ সৈতে আলাপ-আলোচনা কৰিব পাৰে। চৰকাৰী আঁচনিসমূহৰ বাবে যিবোৰ উন্নয়ন পৰিষদ বা সমিতি আছে, সেইবোৰত নাগৰিক সমাজৰ কোনো প্ৰতিনিধিত্ব নাই কাৰণে বিভিন্ন আঁচনি তথা কাৰ্যসূচী সফল হোৱাৰ ক্ষেত্ৰত বাধা প্ৰাপ্ত হৈ আছে। কিয়নো সেইবোৰৰ ভিত্তি হ'ল তৃণমূল স্তৰৰ নাগৰিক সমাজৰ সংগঠন, লগতে একেবাৰে তলৰ স্তৰত আঁচনি বিতৰণ কৰাৰো অভিজ্ঞতা আছে এই সংগঠনসমূহৰ। যেনে, শেহতীয়াকৈ কোভিড-19 মহামাৰীৰ সময়ত পৰিলক্ষিত হৈছে যে, যিবোৰ ঠাইত চৰকাৰে যাব পৰা নাই, সেইবোৰ ঠাইত এই সংগঠনসমূহেই খাদ্য, আৱশ্যক সামগ্ৰী তথা দৰৱ আদি বিতৰণ কৰিছে। একে অভিজ্ঞতা ৰাজ্য চৰকাৰসমূহৰ কাৰ্যসূচীসমূহৰ ক্ষেত্ৰতো পৰিলক্ষিত হৈছে। সেইবোৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে চৰকাৰে নাগৰিক সমাজৰ উপৰত হে নিৰ্ভৰ কৰিছে। গতিকে, নাগৰিক সমাজৰ ওচৰত যি জ্ঞান আৰু অভিজ্ঞতা আছে, সেইবোৰক নীতি নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিব পৰা যায়। সেয়ে, BRICS-ত ভাৰতৰ সভাপতিত্বৰ প্ৰতি নাগৰিক সমাজৰ কিছুমান প্ৰস্তাৱ আছে, সেইবোৰ তলত উল্লেখ কৰা হৈছে। যাতে ৰাষ্ট্ৰীয় তথা জাতীয় স্তৰত এইবোৰ কাম কৰিব পৰা যায়-

a) উন্নয়নৰ কামত নাগৰিক সমাজৰ প্ৰতিনিধিত্বৰ বাবে সাৰ্বিক মঞ্চ/সমিতি প্ৰতিষ্ঠা কৰিব লাগে[13]: এনেকুৱা কৰিলে প্ৰশাসনিক ক্ষেত্ৰত সহায়তা হ'ব, আৰু নীতিৰ মূল্যায়ন কৰাৰ কামত, আৰু আঁচনিসমূহত চৰকাৰৰ পদক্ষেপসমূহত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব পাৰিব- প্ৰাতিষ্ঠানিক ফ'ৰাম এটাৰ প্ৰয়োজন আছে, য'ত সকলো ধৰণৰ নাগৰিক সমাজৰ সংগঠনৰ প্ৰতিনিধিত্ব থাকিব পাৰে

b) প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত বিত্তীয় সহায়তা প্ৰদান- নাগৰিক সমাজৰ সংগঠনৰসমূহ হ'ল বুদ্ধি সম্পন্ন ব্যৱস্থাপক সংস্থা। সামাজিক উন্নয়নত এইবোৰ সংগঠনৰ দক্ষতা আছে। কিন্তু বিত্তীয় সংকটৰ বাবে এই সংগঠনসমূহৰ বিকাশ হোৱা নাই। সেয়ে চৰকাৰে যদি নাগৰিক সমাজৰ সংগঠনসমূহক চৰকাৰী অনুদান আৰু পুঁজিৰে সহায়-সহযোগিতা কৰে, তেন্তে বিভিন্ন আঁচনি সঠিক সময়ত প্ৰদান কৰাটো সম্ভৱপৰ হৈ উঠিব।

c) নাগৰিক সমাজৰ সংগঠনৰ বাবে সক্ষম পৰিৱেশ গঢ়ি তোলা- নাগৰিক সমাজক চৰকাৰে অনুকূল নিয়ামক ব্যৱস্থা প্ৰদান কৰিব লাগে, যাতে এই সংগঠনসমূহে নিজৰ প্ৰধান কামবোৰ কৰিব পাৰে নিয়ামক ব্যৱস্থাৰ বাধ্যবাধকতা তথা নিৰীক্ষণ ব্যৱস্থাক লৈ উদ্বিগ্ন নোহোৱাকৈ।

[13] Improving Global Governance Through Engagement With Civil Society, The case of BRICS, Oxfam Briefing Note, March 2016

## বৈশ্বিক স্তৰত

ভাৰতৰ কৌশলী উন্নয়ন সহযোগিতাৰ সৈতে যুক্ত হৈ আছে বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ। যি লক্ষণীয় অৰ্থনৈতিক বিকাশৰ ফলত মজবুত হৈ উঠিছে কাৰণে ই ৰাজনৈতিক প্ৰভাৱক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বৈশ্বিক শক্তি হৈ উঠিছে। এটা কথা গুৰুত্বপূৰ্ণ তথা স্পষ্টকৈ প্ৰতিভাত যে, ভাৰতে BRICS (2021) G20 (2023) আৰু লগতে বিশ্বৰ আগশাৰীৰ বিভিন্ন উদ্যোগ যেনে ইন্টাৰনেশ্বনেল ছ'লাৰ এলাইন্স-ৰ আয়োজন কৰি আছে। তদুপৰি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই দিশটোৰ উপৰত গুৰুত্ব আৰোপ কৰিছে যে, সমগ্ৰ বিশ্বই পাৰস্পৰিক সমৃদ্ধিৰ দিশত আগুৱাই আহিব লাগিব, আৰু সকলৰ যি অভিন্ন সমস্যা আছে, সেইবোৰৰ প্ৰতিকাৰ কৰিব লাগিব। এনেকৈ এটা বৈশ্বিক প্ৰশাসনৰ গাঁথনি নিৰ্মাণ কৰা সম্ভৱ হ'ব, য'ত সামাজিক উন্নয়নৰ বাটত থকা অভিন্ন সমস্যাসমূহৰ নিশ্চিত সমাধান উলিয়াব পৰা যাব, যিবোৰ সমাধান তৃণমূল স্তৰৰপৰা একেবাৰে আন্তঃৰাষ্ট্ৰীয় স্তৰলৈকে কাৰ্যকৰী হ'ব পাৰিব। বহুপক্ষীয় ফ'ৰামসমূহত সাৰ্বিক প্ৰতিনিধিত্বক ৰূপায়ণ কৰাৰ কাৰণে নাগৰিক সমাজে বিভিন্ন ফ'ৰামত অংশগ্ৰহণ কৰি আছে। যেনে, ভাৰতৰ নাগৰিক সমাজে সক্ৰিয় ভাৱে দাৰিদ্ৰ্য, বিত্তীয় সহায়তা, উন্নয়ন মূলক নীতি ইত্যাদিক লৈ বৈশ্বিক আলোচনা সভা যেনে Civil 20 (C20) আৰু Civil BRICS-ত অংশগ্ৰহণ কৰিছে। এটা কথা ক'বই লাগিব যে, বিশ্বৰ ৰাজনৈতিক সমাজে অধিক বহুপক্ষীয় প্ৰতিনিধিত্বৰ বাবে আহ্বান জনাইছে, তাৰ ভিত্তিত ভাৰতে এই ৰাজনৈতিক সমাজত সক্ৰিয় অৱস্থান বিচাৰি আছে। নাগৰিক সমাজে যাতে বৈশ্বিক প্ৰশাসনীয় ব্যৱস্থাত অংশগ্ৰহণ কৰিব পাৰে, তাৰ বাবে পৰিসৰ আৰু সুযোগ দুয়ো আছে।

## SDG ৰূপায়ণৰ বাবে ডিজিটেল আৰু প্ৰযুক্তি ভিত্তিক সমাধান প্ৰয়োগ



ভাৰতৰ সভাপতিত্বত BRICS দেশসমূহে SDG ৰূপায়ণৰ বাবে ডিজিটেল আৰু প্ৰযুক্তি ভিত্তিক সমাধানৰ উপৰত গুৰুত্ব আৰোপ কৰিছে। ভাৰতে এনেকুৱা কিছুমান মঞ্চ তৈয়াৰ কাৰণে ডিজিটেল জ্ঞানৰ প্ৰসাৰ কৰিব বিচাৰি আছে, যাৰ সহায়ত স্বাস্থ্য ব্যৱস্থা[14] তথা অন্যান্য ক্ষেত্ৰত থকা যোগান শৃংখলৰ অভাৱ দূৰ কৰিব পৰা যায়। ভাৰতে অত্যধিক আগ্ৰহৰ সৈতে ছাষ্টেনেবল ডেভেলপমেণ্ট গ'লক গ্ৰহণ কৰিছে আৰু উন্নয়নৰ সূচকসমূহক হোৱা অগ্ৰগতিক পৰিমাপ কৰিবলৈ প্ৰত্যেক বছৰ মূল সূচকৰ প্ৰতিবেদন প্ৰকাশ কৰি আহি আছে। ডিজিটেল উইথ পাৰপাজ: ডেলিভাৰিং আ স্মাৰ্টাৰ 2030 প্ৰতিবেদনৰ মতে, *"ইতিবাচক সামাজিক প্ৰমূল্যৰ ক্ষেত্ৰত ডিজিটেল প্ৰযুক্তিয়ে আগশাৰীৰ অৰিহণা যোগাব পাৰে, কিন্তু এয়া বাস্তৱত সম্ভৱ হ'ব পাৰে তেতিয়া হে যেতিয়া প্ৰযুক্তিৰ উন্নয়নৰ উপৰত গুৰুত্ব আৰোপ কৰা হ'ব আৰু SDG-ৰ প্ৰতি স্পষ্ট প্ৰতিশ্ৰুতিৰে উন্নয়নৰ ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। ICT খণ্ডই যদি সমগ্ৰ বিশ্বক দেখুৱাব পাৰে যে, ই 2030 এজেণ্ডাৰ দিশত আগুৱাই গৈ আছে আৰু পৰিণতিত কোনো নেতিবাচক ফল যাতে আহিব নোৱাৰে, সেয়া মোকাবিলা কৰাৰ আৰু তাক প্ৰতিৰোধ কৰাৰ দায়িত্ব নিজৰ কান্ধত লৈ আছে, তেন্তে এই বিশ্বই ব্যাপক উপকৃত হ'ব আৰু এই খণ্ডই দীৰ্ঘ ম্যাদী সফলতাক নিশ্চিত কৰিব পাৰিব[15]।"*

SDG-সমূহক বাস্তৱায়িত কৰাৰ কাৰণে সৰহ ভাগ দেশে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ আগবাঢ়ি আহিছে। কিন্তু, হিতাধিকাৰীসকলে যাতে অধিক পৰিমাণে ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে মোবাইল ফোন ব্যৱহাৰৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। SDG 3: সুস্বাস্থ্য আৰু সুস্থতা, SDG4: গুণগত শিক্ষা আৰু SDG 9: আন্তঃগাঁথনি, ঔদ্যোগিকীকৰণ আৰু উদ্ভাৱনৰ অগ্ৰগতি নিৰীক্ষণ কৰাৰ কাৰণে তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT) অতি আৱশ্যক হয়। এছিয়া আৰু প্ৰশান্ত মহাসাগৰৰ দেশসমূহত SDG-সমূহক বাস্তৱায়িত কৰাৰ বাবে ডিজিটেল আন্তঃগাঁথনি, প্ৰযুক্তি আৰু উদ্ভাৱনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আৰু SDG-সমূহৰ দিশত অগ্ৰগতিৰ বাবে এইবোৰ সহায়ক হৈ উঠিব। ৰিয়েল টাইম ট্ৰেকিঙৰ জৰিয়তে অগ্ৰগতিক সমৰ্থ আৰু নিয়ন্ত্ৰণ কৰিবলৈ বিপুল পৰিমাণ ডেটা সংগ্ৰহ কৰি প্ৰচ্ছেছ কৰিব লাগিব। এই প্ৰচ্ছেছিঙৰ ফলত ডিজিটেল সংযোগৰ আন্তঃগাঁথনিত নতুন চাহিদা সৃষ্টি হ'ব। গিগাবিট নেটৱৰ্কে আন্তঃগাঁথনি সংযোগক নিশ্চিত কৰিছে, যাৰ বৈশিষ্ট্য হ'ল অধিক গতি, আগৰ তুলনাত কম লেটেন্সি, যি ইন্টাৰনেট অৱ থিংছ (IoT) আৰু আৰ্টিফিচিয়েল ইন্টেলিজেন্স (AI)-ৰ[16] মাজৰ এক গুৰুত্বপূৰ্ণ লিংক হয়।

---

[14] High Performance Computing (HPC) and Information Communication Technologies (ICT) discussed at BRICS Working Group MeetingPosted On: 30 MAY 2021 9:56AM by PIB Delhihttps://www.pib.gov.in/PressReleasePage.aspx?PRID=1722819

[15] https://gesi.org/platforms/digital-with-a-purpose-delivering-a-smarter2030

[16] http://sdghelpdesk.unescap.org/knowledge-hub/thematic-area/digital-technologies-for-sdgs/

তদুপৰি, সূচকসমূহৰ ডেটা নিৰীক্ষণ কৰা, চৰকাৰক ৰিয়েল টাইম ফীডবেক দিয়া আৰু SDG 17-ৰ প্ৰযুক্তি স্থানান্তৰ ব্যৱস্থা ৰূপায়ণৰ বাবে ডিজিটেল প্ৰযুক্তিক ব্যৱহাৰ কৰা যাব পাৰে।

## সমাজৰ মংগলৰ বাবে ডিজিটেল প্ৰযুক্তিৰ উপৰত নিৰ্ভৰশীলতা বৃদ্ধিত প্ৰতিবন্ধকতা

- ভাৰত চৰকাৰে SDG-সমূহক লিংক কৰাৰ অভিলাষী লক্ষ্যমাত্ৰা নিৰ্ধাৰণ কৰিছে। কিন্তু, দেশৰ মাত্ৰ 23.8% পৰিয়ালে হে ইন্টাৰনেটৰসুবিধা পাই আছে। তদুপৰি, চহৰ আৰু গাঁওত পৰিয়াল হিচাপে ইন্টাৰনেটৰসুবিধা পোৱাৰ ব্যৱধান বহুত বেছি হয়। ভাৰতৰ জনসংখ্যাৰ 66% মানুহ গাঁওত থাকে। গাঁওৰ মাত্ৰ 14.9% পৰিয়ালে ইন্টাৰনেটৰ সুবিধা লাভ কৰে, আনহাতে চহৰত ইন্টাৰনেটৰ সুবিধা লাভ কৰে 42% পৰিয়ালে[17]।
- হাউজহ'ল্ড ছ'চিয়েল কনজাম্পশ্বন অন এডুকেশ্বন ইন ইণ্ডিয়াৰ 2018-ৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছিল যে, মুঠ জনসংখ্যাৰ মাত্ৰ 20% মানুহে ইন্টাৰনেটৰ সুবিধা লাভ কৰিব পাৰে। বয়স, ঠাই, লিংক, জাতি আৰু ভাষাৰ ভিত্তিতো ইন্টাৰনেটৰ সুবিধা লাভ তথা ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত অসমতা দেখিবলৈ পোৱা যায়। এইবোৰৰ বাহিৰেও আন বহুতো কাৰণ আছে[18]।
- ঘটনাক্ৰমে, ডিজিটাইজেশ্বন বৃদ্ধি পোৱাৰ লগে-লগে মিছা বাতৰি বৃদ্ধিৰ অনুপাতো বৃদ্ধি পাইছে। সমীক্ষাত জানিব পৰা গৈছে, প্ৰায় 30% ভাৰতীয়ই কোভিড-19 সম্বন্ধীয় তথ্যৰ বাবে হোৱাটছ এপ ব্যৱহাৰ কৰিছে আৰু 50%-ৰো কম মেছেজৰ সত্যতা পৰীক্ষা কৰি ফৰোৱাৰ্ড কৰা হৈছে। 13% উত্তৰদাতাই আনকি এয়াও কৈছে যে, তেওঁলোকে কোনো মেছেজৰ সত্যতা পৰীক্ষা নকৰাকৈয়ে হোৱাটছ এপ-ত ফৰোৱাৰ্ড কৰি থাকে। এটা প্ৰতিবেদনৰ মতে, বিপুল পৰিমাণে মেছেজ ফৰোৱাৰ্ড কৰে অতি কম সংখ্যক মানুহে। কেৱল 14% ইউজাৰে নিতৌ তিনিটা বা তাৰ অধিক মেছেজ ফৰোৱাৰ্ড কৰে, আৰু কেৱল 5% ইউজাৰে ন' বা তাৰ অধিক মেছেজ ফৰোৱাৰ্ড কৰি থাকে[19]।
- ডিজিটাইজেশ্বন বৃদ্ধি পোৱাৰ ফলত ডিজিটেল লেনদেনত কিছুমান সমস্যাও দেখা দিছে। ইউকে-ৰ এটা মাৰ্কেট ৰিছাৰ্চ ফাৰ্ম YouGov আৰু NASDAQ-ৰ তালিকাত থকা ACI Worldwide-ৰ সমীক্ষাৰ মতে, নভেল কৰ'না ভাইৰাছৰ প্ৰাদুৰ্ভাৱ আৰম্ভ হোৱাৰ আগতে যিমান সংখ্যক ভাৰতীয় উপভোক্তাই ডিজিটেল পেমেন্টৰ ক্ষেত্ৰত প্ৰতাৰণাৰ আশংকাৰ বিষয়টো গম পাইছিল, এতিয়া সেই সংখ্যা আধা বৃদ্ধি পাইছে[20]।
- ভাৰত চৰকাৰে এতিয়া JAM ট্ৰিণিটি স্কীমৰ[21] অধীনত উপযুক্ত হিতাধিকাৰীক পোনপটীয়াকৈ বিভিন্ন আঁচনিৰ নগদ ধন প্ৰেৰণ কৰিবলৈ আৰু বেছিকৈ বিচাৰি আছে। কিমান হিতাধিকাৰীয়ে ৰেশ্বন, স্বাস্থ্য সেৱা, কৰ্ম সংস্থাপনৰ স্থিতি আৰু চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰি আছে, সেয়া হিচাপ কৰি উলিওৱা হৈছে ইণ্ডাছ একশ্বনৰ দ্বাৰা আয়োজিত এক সমীক্ষাত। জন ধনৰ বাবে উপযুক্ত 2,233 গৰাকী মহিলাৰ ভিতৰত প্ৰায় 59% মহিলাই এই সুবিধা লাভ কৰি আছে বুলি জানিব পৰা গৈছে। আনহাতে 34%-ই কৈছে যে, তেওঁলোকৰ একাউন্টত কোনো টকা জমা হোৱা নাই, 7%-ই কৈছে যে, তেওঁলোকে কোনো সুবিধা লাভ কৰিছে নে নাই গমেই নাপায়[22]।
- কোভিড-ৰ কাৰণে লকডাউন হোৱাৰ ফলত ই-লাৰ্ণিং বাবুকৈ বৃদ্ধি পাইছে। কিন্তু এইবোৰ বিধি-নিষেধৰ ফলত বহু শিশুৱে স্কুলত যাবলৈ হে পৰা নাই। 75% শিশুৱে অনলাইন ক্লাছ কৰাৰ সময়ত একাধিক সমস্যাত পৰিছে পুতৌ লগা ইন্টাৰনেট সংযোগৰ কাৰণে বা একেবাৰেই এই সংযোগ নথকাৰ কাৰণে। তদুপৰি আছে ডেটা পেক ভৰাব পৰা অৱস্থা নথকাৰ সমস্যা আৰু ইন্টাৰনেট স্পীড স্ল' হৈ থকাৰ সমস্যা[23]।

---

[17] Digital Divide in India ,https://www.borgenmagazine.com/digital-divide-in-india/

[18] The digital divide in India: How access to technology and reliable information affects India's response to the pandemichttps://www.apc.org/en/node/37367

[19] The Impact of Social Media on Panic During the COVID-19 Pandemic Journal of Medical Internet Research

[20] https://www.financialexpress.com/economy/alert-digital-payments-fraud-shoots-up-as-consumers-prefer-upi-cards-amid-coronavirus-lockdown-cases-rise-this-much-in-a-month/1968230/

[21] JAM (short for Jan Dhan-Aadhaar-Mobile) trinity refers to the government of India initiative to link Jan Dhan accounts, mobile numbers and Aadhaar cards of Indians to plug the leakages of government subsidies

[22] https://www.indiaspend.com/40-of-jan-dhan-account-holders-could-not-access-govts-covid-19-relief-survey/

[23] https://timesofindia.indiatimes.com/home/education/news/over-75-children-report-challenges-to-access-education-digitally-survey/articleshow/82050164.cms

# SDG-সমূহত ডিজিটেল প্ৰযুক্তি ব্যৱহাৰৰ বাবে নাগৰিক সমাজৰ মুখ্য দাবী

ৰাষ্ট্ৰ সংঘৰ মতে, "*আমাৰ এই পৃথিৱীক অধিক স্বচ্ছ, অধিক শান্তিপূৰ্ণ আৰু অধিক ন্যায্য কৰি তোলাৰ ক্ষেত্ৰত সহায়ক হৈ উঠিব পাৰে প্ৰযুক্তি। যি 17টা ছাছটেনেবল ডেভেলপমেন্ট গ'ল আছে, তাৰে প্ৰতিটোক ডিজিটেল অগ্ৰগতিয়ে সহায়তা কৰিব পাৰে লগতে সেইবোৰক দ্ৰুত বাস্তৱায়িত কৰিব পাৰে। সেই 17টা গ'ল বা লক্ষ্য হ'ল—চৰম দাৰিদ্ৰ্য সমাপ্ত কৰা, মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা, স্থায়ী কৃষি ব্যৱস্থা আৰু শোভন কৰ্মৰ প্ৰসাৰ কৰা, আৰু বিশ্বজনীন সাক্ষৰতা লাভ কৰা। কিন্তু প্ৰযুক্তিয়ে গোপনীয়তাৰ প্ৰতি ভাবুকি হৈ উঠিব পাৰে, সুৰক্ষাক নষ্ট কৰি দিব পাৰে আৰু অসামান্য ইন্ধন দিব পাৰে। এইবোৰৰ কু-প্ৰভাৱ পৰিব মানৱাধিকাৰ আৰু মানৱীয় উদ্যোগত।*[24]"



**বিকাশ বৃদ্ধিৰ বাবে পোনপটীয়া পাৰস্পৰিক সম্পৰ্ক:**গ্ল'বেল এনাবলিং ছাছটেনেবিলিটি ইনিশ্বিয়েটিভ (GeSI) আৰু Deloitte-ৰ নতুন প্ৰতিবেদন "ডিজিটেল উইথ পাৰপাজ: ডেলিভাৰিং আ স্মাৰ্টাৰ 2030"-ত চিনাক্ত কৰা হৈছে লগতে এয়া পৰিমাপ কৰা হৈছে যে, 17টা SDG-ক বাস্তৱায়িত কৰাৰ কামত চৰকাৰ, ব্যৱসায় আৰু জনসেৱা প্ৰতিষ্ঠানসমূহে যিবোৰ প্ৰয়াস হাতত লয়, সেইবোৰত প্ৰযুক্তি কেনেকৈ সহায়ক উঠিব পাৰে। ইয়াত SDG লক্ষ্যমাত্ৰাসমূহৰ ব্যাপক পৰিসৰৰ বিশ্লেষণ কৰা হৈছে। যাৰ ভিতৰত আছে 20টা নিৰ্দিষ্ট লক্ষ্যমাত্ৰা আৰু আছে 25টা সহযোগী সূচক। এইবোৰ বিশ্লেষণ কৰাৰ পাছত গম পোৱা গৈছে যে, বৰ্তমান ডিজিটেল প্ৰযুক্তিসমূহক আৰু অধিক পৰিমাণে স্থাপন কৰিলে মোটামুটি ভাৱে SDG বাস্তৱায়িত কৰাৰ দিশত 22% অধিক দ্ৰুত গতিত আগুৱাব পৰা যাব, আৰু নিম্নমুখী প্ৰৱণতাক 23%-লৈকে হ্ৰাস কৰিব পৰা যাব[25]।

দেশত ডিজিটাইজেশ্বনক উন্নত কৰিবলৈ ৰাষ্ট্ৰীয় আৰু জাতীয় স্তৰত কি-কি পৰামৰ্শক বাস্তৱায়িত কৰিব লাগিব তাৰ এটা তালিকা দিছে ভাৰতৰ নাগৰিক সমাজে-

- ***মোবাইল টেলিফোনৰ ব্যৱহাৰ আৰু ডিজিটেল সুবিধা প্ৰদানৰ ব্যৱস্থাক বৃদ্ধি কৰিব লাগিব***-নাগৰিক সমাজে বিচাৰে, ডিজিটেল ইণ্ডিয়াৰ লগতে ডিজিটেল আন্তঃগাঁথনিতো ব্যাপক বিনিয়োগ কৰা হওক। ইয়াৰ ফলত সমগ্ৰ দেশতে টেলি-যোগাযোগৰ ব্যৱহাৰ তথা এই ক্ষেত্ৰত প্ৰৱেশ বৃদ্ধি পাব। ইয়াৰ বাবে পাবলিক-প্ৰাইভেট পাৰ্টনাৰশ্বিপ বৃদ্ধি কৰিব লাগিব লগতে টেলি-যোগাযোগ ক্ষেত্ৰখনত কৰৰ বোজা হ্ৰাস কৰিব লাগিব[26]। অৱশ্যে, ডিজিটাইজেশ্বন বৃদ্ধি আৰু নাগৰিকসকলৰ উপৰত নিৰীক্ষণ কাৰ্যৰ মাজত পোনপটীয়া এটা পাৰস্পৰিক সম্পৰ্ক আছে[27]।
- ***ৰাজহুৱা পণ্য বিতৰণক সহজ কৰা আৰু ই-গভৰ্নেন্সক নিমজ কৰা-*** ডিজিটাইজেশ্বনৰ এটা গুৰুত্বপূৰ্ণ কাম হ'ল নাগৰিকসকলক ইউজাৰ ইন্টাৰফেচ এপ্লিকেশ্বনৰ জৰিয়তে ৰাজহুৱা সেৱা তথা পণ্য বিতৰণ কৰা। কিন্তু, নাগৰিকসকলক বাধাহীন ভাৱে সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত কিছুমান সমস্যা আছে, সেইবোৰৰ প্ৰতিকাৰ কৰিবই লাগিব। ৰাজহুৱা পণ্য পোনপটীয়াকৈ এই লোকসকলক প্ৰদান কৰাৰ কামত দুৰ্বলতা সূচক আৰু মান অনুসৰি জনসংখ্যাৰ মেপিং কৰিব পাৰিলে সেয়া কামত আহিব পাৰে[28]।
- ***ডিজিটেল সাক্ষৰতাত থকা ব্যৱধান শেষ কৰা-*** ভাৰতবৰ্ষ হ'ল এখন বিশাল দেশ। ইয়াৰ প্ৰায় 70% মানুহ গাঁওত থাকে। ইয়াত নিৰক্ষৰতাৰ হাৰ প্ৰায় 30% (জনগণনা: 2011) আৰু এই সংখ্যা গাঁও অঞ্চলত লগতে বিহাৰ, উৰিষ্যা আৰু উত্তৰ প্ৰদেশ ইত্যাদি কম উন্নত ৰাজ্যসমূহত অধিক বেছি।

[24] https://www.un.org/en/un75/impact-digital-technologies

[25] https://deloitte.wsj.com/cio/2019/09/23/digital-tech-critical-to-u-n-sustainable-development-goals/

[26] Dua, Bindu, Digital India-Challenges and Suggestions, Mier College of Education, 2018

[27] Hagen J,Lysne, O ,Protecting the digitized society—the challenge of balancing surveillance and privacy, Cyber Defense Review, Vol. 1, No. 1 (SPRING 2016), pp. 75-90

[28] https://economictimes.indiatimes.com/news/economy/policy/still-many-challenges-in-ensuring-dbt-benefits-reach-women-niti-aayog-advisor/articleshow/65581981.cms?from=mdr

নোৱাৰে। কিয়নো এই দেশৰ ৪0%-ৰো অধিক মানুহ ইংৰাজী নকয় (জনগণনা: 2011)। কম্পিউটাৰ আৰু ইন্টাৰনেটত ইংৰাজীৰ প্ৰবল আধিক্য থকাৰ বাবে ভাৰতৰ গাঁওবিলাকত এইবিলাকৰ ব্যৱহাৰ তেনে তাকৰ। তৃতীয়তে, এইবোৰ ক্ষেত্ৰত প্ৰশাসনীয় সংস্কৃতিও অনুকূল নহয়। এইবোৰ পৰিসংখ্যা চালেই গম পোৱা যায় যে, দেশৰ ধনী আৰু দুখীয়া অঞ্চলৰ ডিজিটেল ক্ষেত্ৰত লক্ষণীয় ব্যৱধান আছে[29]। সেই কাৰণে এই পৰামৰ্শ আগবঢ়োৱা হৈছে যে, চৰকাৰে সেইবোৰ নাগৰিক সমাজৰ সংগঠনৰ সৈতে অংশীদাৰ মডেলত কাম কৰক, যিবোৰ সংগঠনে ICT ব্যৱহাৰ কৰি গাঁওৰ মানুহক ডিজিটেল সাক্ষৰ কৰি তোলাৰ কামত সহায় কৰাৰ কাৰণে কাম কৰি আছে।

- ***গোপনীয়তা ৰক্ষা কৰা আৰু চাইবাৰ অপৰাধ দূৰ কৰা-*** চৰকাৰ আৰু ছিষ্টেম ইন্টিগ্ৰেটৰসমূহে অত্যাধুনিক ছিকিউৰিটি প্ৰট'কল (যেনে 256-বিট AES এনক্ৰিপশ্বন, ইত্যাদি) নিশ্চিত ভাৱে প্ৰয়োগ কৰিব লাগিব। চৰকাৰে আনুষংগিক গোপনীয়তা নীতি নিৰ্ধাৰণ কৰিব লাগিব, যাতে তথ্য হাতত পোৱাৰ পাছত কোনো ব্যক্তিয়ে তাৰ অপব্যৱহাৰ কৰিব নোৱাৰে[30]। অন্যান্য দেশৰপৰা শিক্ষা লৈ[31] ভাৰতে চাইবাৰ অপৰাধ দমন কৰাৰ কাৰণে কঠোৰ আইন প্ৰণয়ন কৰিছে। তথাপি নাগৰিক সমাজৰ সেইবোৰ সংগঠনৰ[32] সৈতে অংশীদাৰ হৈ চৰকাৰে কাম কৰিব লাগিব, যিবোৰ সংগঠনে চাইবাৰ অপৰাধ আৰু প্ৰতাৰণা প্ৰতিৰোধ কৰাৰ বাবে কাম কৰি আছে। চাইবাৰ প্ৰতাৰণা আৰু অপৰাধ চিনাক্ত কৰাৰ কাৰণে নাগৰিক সমাজৰ বহু সংগঠনে[33] নাগৰিকসকলৰ সামৰ্থ্য বিকাশৰ বাবে কাম কৰি আছে।

- ***AI প্ৰ'গ্ৰামিঙত চলা উন্নয়ন আঁচনিৰ বাবে নাগৰিক সমাজৰ দক্ষতাক ব্যৱহাৰ কৰা-*** অভিজ্ঞতা আৰু প্ৰত্যাশাৰে পৰিপূৰ্ণ নাগৰিকসকলৰ সিদ্ধান্ত ভিত্তিক আচৰণৰ প্ৰৱণতাৰ উপৰ ভিত্তি কৰি যিবোৰ উন্নয়ন মূলক নীতি গ্ৰহণ কৰা হয়, সেইবোৰৰ তথ্য প্ৰদান কৰাৰ ক্ষেত্ৰত আৰ্টিফিচিয়েল ইন্টেলিজেন্সৰ ক্ষেত্ৰখনত হোৱা দ্ৰুত অগ্ৰগতি কামত আহিব পাৰে। সেয়া আকৌ ৰাষ্ট্ৰীয় তথা জাতীয় পৰ্যায়ত SDG নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰতো সহায়ক হ'ব পাৰে[34]। অজস্ৰ খণ্ডই প্ৰযুক্তি ভিত্তিক উদ্ভাৱনীত AI ব্যৱহাৰ কৰি আছে। সেই খণ্ডসমূহে এয়া দেখুৱাই দিছে যে, উন্নয়নৰ দিশসমূহক উন্নত কৰাৰ ক্ষেত্ৰত ইয়াৰ বিপুল সম্ভাৱনা আছে। স্বাস্থ্য সম্বন্ধীয় ডেটাৰ ভিত্তিত মানুহৰ উপৰত সমীক্ষা চলোৱাৰ লগতে অনুমান এটা উলিওৱাৰ কামত সহায় কৰি আছে AI। যাৰ ফলত স্বাস্থ্য খণ্ডত স্বাস্থ্য কৰ্মীসকলেআৰু ক্লিনিচিয়েনসকলে অসুস্থতাক চিনাক্ত কৰি চিকিৎসা কৰাৰ দক্ষতা অৰ্জন কৰিব পাৰিব। কৃষি খণ্ডতো AI কৃষকসকলক সহায় কৰি থাকে। কৃষকসকলে অধিক জটিল অৱস্থাসমূহক ভালকৈ গম পাব পাৰিব। যেনে মাটিৰ বৈশিষ্ট্য কেনেকুৱা, জলবায়ু কি ধৰণৰ, শস্যৰ অৱস্থা কেনেকুৱা ইত্যাদি। এনেকৈ তেওঁলোকে উৎপাদন বৃদ্ধি কৰিব পাৰিব আৰু লগতে তেওঁলোকে সেই আশংকাসমূহকো চিনাক্ত কৰিব পাৰিব, যিবোৰৰ বেয়া প্ৰভাৱ তেওঁলোকে চপাই থোৱা শস্যৰ উপৰত পৰিব পাৰে।শিক্ষা খণ্ডৰ তিনিটা মূল ক্ষেত্ৰত AI গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। যেনে: লাৰ্ণাৰ-ফেচিং প্ৰযুক্তি (অৰ্থাৎ, পাৰ্ছনালাইজড ডেলিভাৰি মডেল আৰু এডাপ্টিভ লাৰ্ণিং প্লেটফৰ্ম), টিচাৰ-ফেচিং প্ৰযুক্তি (ইয়াত আছে অট'মেটেড এছেছমেণ্ট টুল) আৰু খণ্ড স্তৰৰ বিশ্লেষণ (যেনে, স্কুলসমূহৰ ডেটা ব্যৱহাৰ কৰি স্কুলৰ পৰিদৰ্শন পাৰদৰ্শিতা অনুমান কৰা)[35]। নাগৰিক সমাজৰ যিবোৰ সংগঠনে অসংখ্য ডেটা-ছেট লৈ কাম কৰি আছে সেইবোৰে হিতাধিকাৰীসকলৰপৰা প্ৰাপ্ত তথ্যৰ যোগান ধৰিব পাৰে উন্নয়ন মূলক কাৰ্যসূচী তথা আঁচনি নিৰ্মাণৰ কামত। এনেকৈ খৰচ, বিনিয়োগ আৰু সময় ৰাহি হ'ব। নিৰ্দিষ্ট ক্ষেত্ৰসমূহ কাৰ্যকৰী ভাৱে সহায়তা লাভ কৰিব আৰু ক'ৰবাত কিবা ছিদ্ৰ থাকিলে সেয়াও মাৰিব পৰা যাব[36]।

- ***দুৰ্নীতি দমন কৰিবলৈ ব্লকচেইনৰ ব্যৱহাৰ-*** দুৰ্নীতি ৰোধৰ প্ৰয়াসত নতুন এটা দিশ উন্মোচন কৰিব পৰা সম্ভাৱনা আছে ব্লকচেইনৰ। এইটো সফল হ'ব নে নহ'ব, সেয়া বিশেষকৈ নিৰ্ভৰ কৰি আছে আনুষংগিক কিছুমান বিষয়ৰ উপৰত। যেনে আন্তঃগাঁথনি, আইন ব্যৱস্থা আৰু সামাজিক বা ৰাজনৈতিক অৱস্থা। ইয়াৰ

---

[29] Beniwal, V.S., Sikka, Kapil, E-Governance in India: Challenges and Prospects, International Journal of Computer and Communication, 2017

[30] E-governance and Digital India Empowering Indian Citizens Through Technology, ASSOCHAM, 2015

[31] Securing the Nation's Cyber Space, Price Waterhouse Coopers (PwC), 2017, https://www.pwc.in/assets/pdfs/publications/2017/securing-the-nations-cyberspace.pdf

[32] https://www.unodc.org/unodc/en/frontpage/2018/May/taking-action-where-we-can-to-stop-cybercrime.html

[33] https://yourstory.com/socialstory/2020/07/social-media-awareness-cybercrime-bullying/amp

[34] Ricardo Vinuesa, Hossein Azizpour, IolandaLeite, Madeline Balaam, Virginia Dignum, Sami Domisch, Anna Felländer, Simone Daniela Langhans, Max Tegmark & Francesco Fuso Nerini, The role of artificial intelligence in achieving the Sustainable Development Goals, Nature Communications, 2020

[35] The International Development Innovation Alliance (IDIA). (2019). Artificial intelligence in International Development. A discussion paper

[36] https://www.weforum.org/agenda/2018/04/civil-society-charities-artificial-intelligence/

সফলতা বা বিফলতা কেৱল প্ৰযুক্তিৰ উপৰত নিৰ্ভৰশীল নহয়[37]। ব্লকচেইনৰ একেবাৰে গভীৰ সমস্যা হ'ল এয়াই যে, ই এনেকুৱা এক সময়ত তথ্যৰ সুৰক্ষা আৰু শুদ্ধতা ৰক্ষা কৰাৰ কামটো কৰিবলৈ বিচাৰি আছে, যি সময়ত ডেটাৰ গোপনীয়তাক লৈ উদ্বেগ বহুত বাঢ়ি গৈছে আৰু লগতে চৰকাৰৰ প্ৰতি আস্থাও কমি আহি আছে। ই হ'ল এনেকুৱা এক প্ৰযুক্তি, যাৰ সাহায্যত কোনো ব্যক্তিয়ে বিকেন্দ্ৰীয় পদ্ধতিত এছেট. ৰেকৰ্ড কৰিব পাৰে., ভেলু ট্ৰান্সফাৰ কৰিব পাৰে, আৰু ট্ৰানজাকশ্বন ট্ৰেক কৰিব পাৰে। তথ্যৰ বিশুদ্ধতা প্ৰমাণ কৰাৰ কাৰণে কোনো কেন্দ্ৰীয় কৰ্তৃপক্ষৰ অবিহনে ডেটাৰ স্বচ্ছতা, শুদ্ধতা আৰু সন্ধান-যোগ্যতাক নিশ্চিত কৰিব পৰা যায়। এইটো এনেকুৱা এক মাধ্যম, যি তথ্যক এনক্ৰিপ্ট কৰে আৰু ই এটা শ্বেয়াৰ্ড ডেটাবেছ হয়। তথ্যক চাৰ্টিফাই কৰাৰ কাৰণে আৰু ট্ৰানজাকশ্বনক ভেলিডেট কৰাৰ কাৰণে এইটো হ'ল বিশ্বস্ত পক্ষসমূহৰ মাজত হোৱা এটা সহমত ভিত্তিক ব্যৱস্থা। ব্লকচেইনৰ দুটা বিশেষ বৈশিষ্ট্য আছে। সেই বাবেই ই দুৰ্নীতিৰ বিৰুদ্ধে সম্ভাব্য মাধ্যম হৈ উঠিছে। প্ৰথমতে, ই তথ্যক অভূতপূৰ্ব স্তৰত সুৰক্ষিত কৰি ৰাখে আৰু ই যিবোৰ ৰেকৰ্ডক নিয়ন্ত্ৰণ কৰি থয়, সেইবোৰৰ অখণ্ডতা ৰক্ষা কৰি ৰাখে লগতে সেইবোৰৰ শুদ্ধতাক নিশ্চিত কৰে। ডেটা মেনেজমেন্টৰ ক্ষেত্ৰত যি ছিংগল পইন্ট ফেইলিয়াৰ থাকে, তাৰ বাবে কিছুমান তথ্যক ভুৱা কৰা হয় আৰু তাৰ লগত তথ্য কিছুমান ভাবুকিৰ মুখতো পৰে। সেইবোৰ আশংকা দূৰ কৰি দিয়ে এই ব্লকচেইনে। চিৰাচৰিত আমোলা তন্ত্ৰত ৰাজহুৱা প্ৰতিষ্ঠানসমূহে পৰস্পৰৰ মাজত তথ্য আদান-প্ৰদান কৰিবলৈ টান পায়, সেই ডেটা ছিল' দূৰ কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব ব্লকচেইন[38]। দুৰ্নীতি ৰোধ কৰাৰ বাবে ব্লকচেইন ব্যৱহাৰৰ এটা উল্লেখযোগ্য উদাহৰণ হ'ল অন্ধ্ৰ প্ৰদেশ। এই ৰাজ্যত নাগৰিকসকলৰ সম্পত্তি নিবন্ধন কৰাৰ সময়ত ডুপ্লিকেশ্বনক দূৰ কৰা হয় আৰু প্ৰাইভেট ডেটাক সুৰক্ষিত ৰখা হয়। এনেকুৱা প্ৰযুক্তিক ৰাজহুৱা বিতৰণ ব্যৱস্থাত ব্যৱহাৰ কৰিব পৰা যায়। বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীৰ মানুহক পোনপটীয়াকৈ নগদ ধন প্ৰেৰণ কৰাৰ ক্ষেত্ৰত এই প্ৰযুক্তি কামত আহে[39]। আন্তঃগাঁথনি প্ৰকল্পসমূহত দুৰ্নীতি হ্ৰাস কৰাৰ ক্ষেত্ৰতো উন্মুক্ত তথা স্বচ্ছ ডিজিটেল নিৰীক্ষণ ব্যৱস্থা কামত আহিব পাৰে আৰু সময়ত প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰতো কাৰ্যকৰী হ'ব পাৰে[40]।

- ***নাগৰিক সমাজ খণ্ডৰ সৈতে SDG ডেটা-স্কেপিঙৰ বাবে ডিজিটেল ডেশ্বব'ৰ্ড সৃষ্টি কৰা-*** হিতাধিকাৰী তথা ৰাইজ সম্বন্ধীয় ডেটা ক্ৰমে ব্যাপক হাৰত বৃদ্ধি পাই আছে। এইবোৰক ভাৰত চৰকাৰে বাস্তৱায়িত কৰা SDG আঁচনিসমূহত অন্তৰ্ভুক্ত কৰিব লাগিব। সেয়ে, SDG বাস্তৱায়িত কৰাৰ কামত নাগৰিক সমাজক অন্তৰ্ভুক্ত কৰাটো বৰদৰকাৰ। কিয়নো, এই সংগঠনসমূহে বিভিন্ন সমস্যাক লৈ আলোচনা কৰিব পাৰে আৰু বিভিন্ন নীতি ৰূপায়ণৰ ক্ষেত্ৰত সেইবোৰ সমস্যাৰ সমাধানৰ পথ কৈ দিব পাৰে আৰু কোন-কোন সূচকত কিমান অগ্ৰগতি হৈছে সেয়া চাব পাৰে[41]। প্ৰতিষ্ঠিত সংস্থা আৰু প্ৰতিষ্ঠানসমূহে নাগৰিক সমাজ আৰু চৰকাৰৰপৰা ডেটা সংকলন কৰি দেশীয় তথা বৈশ্বিক স্তৰত SDG-সমূহক নিৰীক্ষণ কৰাৰ কাৰণে ডেটা ভিজুয়ালাইজেশ্বন তৈয়াৰ কৰে[42]। চৰকাৰে ইতিমধ্যে বিভিন্ন ইউজাৰৰ বাবে ডেশ্বব'ৰ্ড তৈয়াৰ কৰাৰ কামত হাত দিছে। এনেকুৱা এটা ডেশ্বব'ৰ্ড হ'ল নেশ্বনেল CSR এক্সচেঞ্জ প'ৰ্টেল। এইটো এটা ৰিয়েল-টাইম ইন্টাৰফেচ ৱেবছাইট হয়। যি উন্নয়নৰ লক্ষ্য পূৰণ কৰাৰ বাবে CSR ব্যয়ৰ ব্যৱস্থা কৰাৰ কাৰণে বিভিন্ন ফীচাৰ ব্যৱহাৰ কৰি থাকে। যেনে: হীট মেপ, প্ৰজেক্ট ক'লাবৰেশ্বন, লাৰ্ণিং এক্সচেঞ্জ আৰু ডেটা ট্ৰেকিং। এনেকুৱা ডেশ্বব'ৰ্ড আৰু প'ৰ্টেল বিচাৰি চাব লাগে। য'ত নাগৰিক সমাজেও যেন কাৰ্যকৰী ভাৱে অংশগ্ৰহণ কৰিব পাৰে। এইবোৰ ডেশ্বব'ৰ্ডৰপৰা প্ৰাপ্ত তথ্য VNR ৰিপ'ৰ্টৰ ফ্ৰেমিং কৰাৰ কামত আহিব পাৰে।

- ***সকলৰ বাবে স্বাস্থ্য আৰু শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰা-*** উন্নয়নৰ বিভিন্ন লক্ষ্য পূৰণ কৰাৰ বাবে ডিজিটেল প্ৰযুক্তি অতি আৱশ্যক হয়। কিন্তু সৰ্বাধিক গুৰুত্ব দিব লাগিব সকলৰ বাবে স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰিবলৈ আৰু সকলৰ বাবে শিক্ষা সুনিশ্চিত কৰিবলৈ। স্বাস্থ্য খণ্ডৰ বাবে যিবোৰ ডিজিটেল হেল্থ টুল তৈয়াৰ কৰা হৈছে, সেইবোৰে দি শক্তিশালী ভাৱে স্বাস্থ্য খণ্ডত পৰিলক্ষিত হোৱা NCD-ৰ ক্ৰম-বৰ্ধমান চাহিদাক পূৰণ কৰিব পৰা যাব। এনেকৈয়ে সকলৰ বাবে স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰিব পৰা যায়। ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য ষ্ট্ৰেটেজি তৈয়াৰ কৰা আৰু সেয়া বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত নাগৰিক সমাজৰ সংগঠনসমূহৰ গুৰুত্বপূৰ্ণ অৱিহণা আছে[43]। এইবোৰ কাম হ'ব পাৰে ভেকচিন আৰু দৰৱ বিতৰণৰ কাৰণে নিৰ্দিষ্ট CSO বাছনি কৰা লগতে চৰকাৰৰ চিকিৎসা আঁচনিত দুৰ্বল শ্ৰেণীৰ লোকসকলৰ

---

[37] https://www.u4.no/publications/are-blockchain-technologies-efficient-in-combatting-corruption

[38] https://ssir.org/articles/entry/will_blockchain_disrupt_government_corruption

[39] https://qz.com/india/1325423/indias-andhra-state-is-using-blockchain-to-build-capital-amaravati/

[40] Kahn, Theodore;Baron, Alejandro;Vieyra, Juan Cruz, Digital Technologies for Transparency in Public Investment: New Tools to Empower Citizens and Governments, IDB, 2018

[41] https://www.euro.who.int/__data/assets/pdf_file/0006/319308/6-Not-without-us-civil-society-role-implementing-SDGs.pdf

[42] https://www.data4sdgs.org/resources/2030watch-civil-society-monitoring-sdgs-country-level-0

[43] https://ncdalliance.org/news-events/news/realising-the-promise-of-digital-health-for-ncds-and-uhc-what-is-the-opportunity-for-civil-society

নাম নিবন্ধন কৰাৰ জৰিয়তে। শিক্ষা খণ্ডতো CSO-সমূহক ব্যৱহাৰ কৰিব পৰা যায়। যেনে, ডিজিটেল এপ্লিকেশ্বন ব্যৱহাৰ কৰি পঢ়ুৱৈসকলক ভৰ্তি কৰা আৰু লগতে স্কুলত আহিব নোৱাৰা পঢ়ুৱৈসকলৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰা।

## মানুহৰ মাজত পাৰস্পৰিক মত বিনিময়ক বৃদ্ধি কৰা



BRICS দেশসমূহৰ পাৰস্পৰিক কল্যাণৰ বাবে মানুহৰ মাজত পাৰস্পৰিক মত বিনিময়ৰ সুযোগ তথা প্ৰসাৰ বৃদ্ধি কৰিব লাগিব বুলি নাগৰিক সমাজে ভাৰত চৰকাৰৰ প্ৰতি আবেদন জনাই আহিছে। এনেকুৱা কিছুমান ক্ষেত্ৰ আছে, যিবোৰ উন্নত কৰিব লাগিব। য'ত নাগৰিক সমাজে পাৰস্পৰিক মত বিনিময় কৰিব পাৰিব আৰু পাৰস্পৰিক জ্ঞান বৃদ্ধি হ'ব।

- ***BRICS-ৰ উন্নয়ন মূলক প্ৰকল্পসমূহত ভাৰতীয় নাগৰিক সমাজক যুক্ত কৰিব লাগে-*** উন্নয়ন মূলক সহযোগিতাৰ নীতিৰ সৈতে সংগতি ৰাখি BRICS দেশসমূহৰ উন্নয়ন মূলক প্ৰকল্পত নাগৰিক সমাজৰ পৰামৰ্শ লোৱাটো উচিত। যিবোৰ দেশত প্ৰকল্প বাস্তৱায়িত কৰা হ'ব, সেইবোৰ দেশৰ নাগৰিক সমাজক অংশগ্ৰহণ কৰাৰ সুযোগ দিব লাগিব। উন্নয়ন মূলক সহযোগিতাৰ বিষয়ত ৰাজহুৱা বিতৰ্ক উত্থাপন কৰাৰ ক্ষেত্ৰত বহু ৰাষ্ট্ৰীয় NGO আৰু অন্যান্য CSO গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থাকে। এই সংগঠনসমূহে প্ৰায়ে সহযোগিতা তথা উন্নয়নৰ বিষয়ত যুৱ সমাজ তথা সমাজৰ বিভিন্ন শ্ৰেণীক সজাগ কৰি তোলে। উন্নয়নত বেছিকৈ তথা অধিক ভাল সহযোগিতাৰ সপক্ষে NGO আৰু CSO-সমূহে সদায় মাত মাতি থাকে, লগতে চৰকাৰে উন্নয়নৰ যি প্ৰতিশ্ৰুতি দিয়ে, তাৰ বাবে চৰকাৰক দায়বদ্ধ কৰি ৰাখে। সৰহ ভাগ OECD দেশ আৰু সেই দেশসমূহৰ ডেভেলপমেণ্ট এছিষ্টেন্স কমিটি পিয়েৰ ৰিভিউ-ত এই পৰামৰ্শ দিয়া হয় যে, জন সজাগতা বৃদ্ধি কৰিবলৈ তথা উন্নয়নৰ বাবে ৰাজনৈতিক সমৰ্থন নিশ্চিত কৰিবলৈ নাগৰিক সমাজৰ সৈতে লগ লাগি কাম কৰিব লাগে[44]।
- ***উন্নয়নত সহযোগিতাৰ ক্ষেত্ৰত CSO-ক যুক্ত কৰাৰ উপকাৰিতা-*** ভাৰতত CSO-সমূহে যেনেকৈ কাম কৰে, তাৰ ভিত্তিত অন্যান্য উন্নয়নশীল দেশসমূহকো সহায়-সহযোগিতা আগবঢ়াই থাকে। চিৰস্থায়ী তথা সাৰ্বিক উন্নয়নৰ প্ৰসাৰৰ বাবে ভাৰতৰ CSO-সমূহে অন্যান্য উন্নয়নশীল দেশক জ্ঞান, প্ৰযুক্তি, দক্ষতা আৰু সমৰ্থনেৰে সহায় কৰি থাকে। এই সংগঠনসমূহৰ সৈতে কাম কৰে স্থানীয় ৰাইজ, CSO, আৰু জাতীয় তথা ৰাষ্ট্ৰীয় চৰকাৰে। দাৰিদ্ৰ্য, বহিষ্কাৰ, অসাম্য ইত্যাদি অনুৰূপ প্ৰসংগ অনুসৰি গঢ়ি তোলা পদ্ধতি-তত্বক স্থানীয় ভাৱে গ্ৰহণ কৰাৰ পাছত অন্যান্য উন্নয়নশীল দেশত সেইবোৰ প্ৰাসংগিক বুলি প্ৰমাণিত হৈছে। মুষ্টিমেয় কেইটামান উদ্যোগৰ কথা বাদ দিলে, সৰহ ভাগ উদ্যোগেই সহযোগিতা আৰু বিত্তীয় সহায়তা ঘাইকৈ লাভ কৰিছে আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংগঠন (NGO), উন্নয়নশীল দেশৰপৰা। লগতে এইবোৰ সহায়-সহযোগিতা লাভ কৰিছে অৰ্গানাইজেশ্বন ফৰ ইক'নমিক ক'-অপাৰেশ্বন এণ্ড ডেভেলমপমেণ্ট (OECD) দেশসমূহ, ৰাষ্ট্ৰ সংঘ (UN), আৰু অন্যান্য বহুপক্ষীয় প্ৰতিষ্ঠানৰ দ্বিপাক্ষিক দাতাসকলৰপৰা[45]।
- ***শিক্ষা বিনিময়-*** নীতি নিৰ্ধাৰকসকলে চাৰিও ফালে সমান ভাৱে চাব পৰা যি অৱস্থানত থাকে, সেই অৱস্থানৰপৰা চালে ক'ব লাগিব, ভাৰত তথা BRICS দেশসমূহৰ মাজত শিক্ষাত সহযোগিতা সম্ভৱপৰ হ'ব তেতিয়া হে, যেতিয়া উচ্চশিক্ষাত পাৰস্পৰিক বিনিময় সম্ভৱপৰ হ'ব[46]। কিন্তু, BRICS দেশসমূহে যিবোৰ সমস্যাৰ মোকাবিলা কৰি আছে সেইবোৰ কথা যুৱ প্ৰজন্মক জনাবলৈ উন্নয়ন মূলক অধ্যয়ন তথা আৰ্থ-সামাজিক সহযোগিতা সম্বন্ধীয় শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে কামত আহিব। নাগৰিক সমাজৰ পৰামৰ্শ এয়াই যে, আদৰ্শ শিক্ষা ব্যৱস্থাৰ কাম হ'ল, বিভিন্ন দেশৰ পঢ়ুৱৈসকলক পৰস্পৰৰ দেশৰ CSO-সমূহত অহাৰ ব্যৱস্থা কৰি দিয়া। যাতে সেই পঢ়ুৱৈসকলে একেবাৰে নিম্ন স্তৰৰপৰা উন্নয়ন সম্বন্ধীয় বিষয়সমূহৰ সৈতে চিনাকি হ'ব পাৰে। উন্নয়নৰ ক্ষেত্ৰত কি-কি সমস্যা আছে আৰু সেইবোৰৰ সমাধান কি

---

[44] How DAC Members Work With Civil Society Organisations: An Overview, 2011

[45] Bandyopadhyay,KaustuvKanti, CSOs in Indian Development Cooperation: Towards an Enabling Environment, PRIA, 2017

[46] Varghese, N.V BRICS and International Collaborations in Higher Education in India, 2015, https://www.researchgate.net/publication/281806512_BRICS_and_International_Collaborations_in_Higher_Education_in_India

সেই বিষয়ে জ্ঞানৰ প্ৰসাৰ কৰাৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বিদ্যায়তনিক তথা নাগৰিক সমাজে। সেই সমাধানসমূহক বৈশ্বিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত নীতি নিৰ্ধাৰণৰ কামত ব্যৱহাৰ কৰা যাব পাৰে[47]।

- ***নাগৰিক সমাজৰ অংশীদাৰ হৈ যুৱ কাৰ্যসূচীত পাৰস্পৰিক বিনিময়-*** BRICS প্ৰতিশ্ৰুত ফ'ৰামসমূহত বিশেষ গুৰুত্ব দিয়া হৈছে যুৱ সমাজৰ মাজত পাৰস্পৰিক সংযোগ বৃদ্ধিৰ উপৰত। নাগৰিক সমাজৰ পৰামৰ্শ অনুসৰি আমি এয়া অনুভৱ কৰোঁ যে, সকলে পৰস্পৰৰ সংস্কৃতি সম্বন্ধে জানিব পাৰিলে বৰ ভাল হয়, সকলে পৰস্পৰৰ দেশত ভ্ৰমণো কৰিব লাগে[48]।নাগৰিক সমাজে যুৱ সমাজৰ লগত লগ লাগি দাতব্য সেৱাৰ লগত যুক্ত টুৰ্ণামেন্টৰ আয়োজন কৰি স্বাস্থ্য তথা উন্নয়ন মূলক বিভিন্ন বিষয় সম্বন্ধে সজাগতা বৃদ্ধি কৰিব পাৰে। নাগৰিক সমাজৰ বিভিন্ন সংগঠনে ক্ৰীড়াৰ প্ৰসাৰৰ কাম কৰি থাকে। এই সংগঠনসমূহে ভাৰতৰ বিভিন্ন স্থানত ইভেন্ট আৰু টুৰ্ণামেন্টৰ আয়োজনত অংশীদাৰ হ'ব পাৰে।

## ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে সদৌ শেষত আৰু কেইটামান পৰামৰ্শ[49 50]

- ভাৰতৰ নাগৰিক সমাজ হিচাপে আমি ভাৰত চৰকাৰৰ প্ৰতি এই আবেদন জনাওঁ যে, চৰকাৰে যেন ৰাষ্ট্ৰীয় তথা জাতীয় পৰ্যায়ত উপযুক্ত বিত্তীয় ব্যৱস্থাৰ সৈতে লগতে নাগৰিক সমাজ, ব্যক্তিগত খণ্ড আৰু বিদ্যায়তনিক সমাজৰ সৈতে অংশীদাৰ হৈ প্ৰাতিষ্ঠানিক মঞ্চ এটাৰ জৰিয়তে SDG-সমূহক বাস্তৱায়িত কৰাৰ কামটো কৰে।
- ভাৰত চৰকাৰৰ প্ৰতি আমাৰ আহ্বান, উন্নয়ন মূলক কাৰ্যসূচীত বিত্তীয় সহায়তাৰ পৰিমাণ যেন বৃদ্ধি কৰা হয়। কিয়নো সাধাৰণ ৰাইজৰ দাৰিদ্ৰ্য দূৰ কৰিবলৈ, GDP আৰু স্বাস্থ্য খণ্ডৰ অনুপাত বৃদ্ধি কৰাৰ জৰিয়তে ৰাইজক পৰ্যাপ্ত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ কাৰণে বিত্তীয় সহায়তা বৃদ্ধি কৰাটো অতিকৈ দৰকাৰী হয়। শেহতীয়াকৈ কোভিড-19 মহামাৰীৰ প্ৰকোপ বৃদ্ধিৰ কথা মনত ৰাখি আমি চৰকাৰৰ প্ৰতি এই আহ্বান জনাই আছোঁ যে, নাগৰিক সমাজৰ সংগঠনসমূহৰ সৈতে লগ লাগি স্বাস্থ্য খণ্ডত থকা ব্যৱধানসমূহক দূৰ কৰাৰ কাৰণে মেপিং বিশ্লেষণৰ কাম কৰিব লাগিব।
- 12 বছৰ বয়সলৈকে সকলো শিশুৰ কাৰণে বিনামূলীয়া, সমাজৰ সকলো শ্ৰেণীক অন্তৰ্ভুক্ত কৰিব পৰা আৰু সাৰ্বজনীন শিক্ষাৰ ব্যৱস্থা কৰি শিক্ষা হাৰ বৃদ্ধি কৰিব লাগিব।
- সামাজিক উন্নয়ন আঁচনিসমূহক পুঁজি আবণ্টন কৰাৰ বাবে প্ৰগতিশীল কৰ আৰোপ বৃদ্ধি কৰিব লাগিব। এনেকৈ SDG-সমূহৰ অজস্ৰ লক্ষ্যমাত্ৰা আৰু সূচকক বাস্তৱায়িত কৰিব পৰা যাব, লগতে অন্তিম ন্যায়ৰ ব্যৱস্থাও কৰিব পৰা যাব।
- বিভিন্ন ৰাষ্ট্ৰীয় আঁচনি তথা কাৰ্যসূচীত লিংগৰ উপৰত গুৰুত্ব দিব লাগিব আৰু এই বিষয়টোক লৈ পুংখানুপুংখ ৰূপত কাম কৰিব লাগিব। এনেকৈ সেইসকল কোটি-কোটি মহিলাই উপকৃত হ'ব, যিসকলে লিংগ বৈষম্যৰ চিকাৰ হৈ আছে।
- মহিলা লগতে দলিত, জনগোষ্ঠী ইত্যাদি দুৰ্বল শ্ৰেণীৰ লোকসকলৰ উদ্দেশ্যত উদ্যোগ হাতত লৈ তেওঁলোকৰ জীৱিকাৰ ব্যৱস্থা কৰিব লাগিব।
- ৰাষ্ট্ৰীয় তথা বৈশ্বিক পৰ্যায়ত নাগৰিক সমাজৰ সহযোগিতাত কাম কৰি জীৱিকা, দৰৱ আৰু আমাৰ সমৃদ্ধ পৰম্পৰা বিজ্ঞানৰ চিৰাচৰিত ব্যৱস্থাৰ প্ৰসাৰ কৰিব লাগিব।
- জলবায়ু পৰিৱৰ্তন সমস্যাৰ মোকাবিলা কৰিবলৈ সেউজ আন্তঃগাঁথনি তথা অৰ্থনীতিৰ উদ্যোগ গ্ৰহণ কৰিব লাগিব।

---

47 Tandon, Rajesh, Civil engagement in Higher Education and its role in human and social development, 2008/01/01

48 Tom Dwyer (University of Campinas, Brazil) ,Mikhail K Gorshkov (Russian Academy of Sciences, Russia),Ishwar Modi (University of Rajasthan, India),Chunling Li (Chinese Academy of Social Sciences, China) and Mokong Simon Mapadimeng (University of Limpopo, South Africa), Handbook of the Sociology of Youth in BRICS Countries

49 INDIA & G20 Analyzing Development Dimensions of Policy Priorities, VANI, https://www.vaniindia.org/admin-latest/images/India%20and%20G20%20Analyzing%20Development%20Policy%20Priorities.pdf

50 https://rightsindevelopment.org/wp-content/uploads/2015/08/Policy-Recommendations-for-the-Civil-BRICS-BRICS-Summit-2016-ECSN-BRICSAM-Oxfam-India-WNTA-PBI.pdf

- বাণিজ্য তথা বিনিয়োগ নীতি গঠন কৰাৰ সময়ত ৰাইজৰ প্ৰতিনিধিত্ব তথা নাগৰিক সমাজৰ প্ৰতিনিধিত্বক অন্তৰ্ভুক্ত কৰিব লাগিব।
- বিশাল পৰিসৰৰ আন্তঃগাঁথনি প্ৰকল্পক কাৰ্যকৰী কৰাৰ সময়ত ৰাইজৰ গোষ্ঠী, অৰণ্যবাসী, নাগৰিক সমাজৰ সংগঠন ইত্যাদিৰ সৈতে লগ লাগি FPIC পৰামৰ্শ ব্যৱস্থা স্থাপন কৰিব লাগিব।
- নিয়ামক ব্যৱস্থা শিথিল কৰি নাগৰিক সমাজৰ সংগঠনসমূহক সক্ষম পৰিৱেশ প্ৰদান কৰিব লাগিব।

VANI
Celebrating 30 Years
VOICE OF THE VOLUNTARY SECTOR

www.vaniindia.org

## About VANI

As a platform, it promotes voluntarism and creates space for voluntary action.
As a network, it attempts to bring about a convergence of common sectoral issues and concerns for building a truly National agenda of voluntary action in the country.
It also facilitates linkages of various efforts and initiatives of the voluntary sector.